**REGIONAL NEWS UNIT**

ALL INDIA RADIO, GUWAHATI

0000000000

Date : 17-02-2026 **Time :** 1100 Hrs.

0000000000

সমাগত বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতিৰ বুজ লোৱাৰ উদ্দেশ্যে তিনিদিনীয়া ভ্ৰমণসূচীৰে কালি গুৱাহাটীলৈ অহা নিৰ্বাচন আয়োগৰ পূৰ্ণাংগ দলটোৱে আজি ৰাজ্যৰ স্বীকৃতিপ্ৰাপ্ত ৰাজনৈতিক দলৰ প্ৰতিনিধিৰ সৈতে আলোচনাত মিলিত হৈছে। এই আলোচনাত বিজেপিৰ ডাঃ ৰণোজ পেগু, প্ৰদান বৰুৱা, সিদ্ধাৰ্থ ভট্টাচাৰ্য, কংগ্ৰেছৰ ৰকিবুল হুছেইন, বি পি এফৰ দুৰ্গাদাস বড়ো, অসম গণ পৰিষদৰ সুনীল ৰাজখোৱাকে ধৰি কেইবাগৰাকী নেতাই অংশগ্ৰহণ কৰিছে।

দলটোৱে মুখ্য নিৰ্বাচন বিষয়া অনুৰাগ গোৱেলৰ সৈতে আলোচনাত মিলিত হ'ব আৰু বিধানসভা নিৰ্বাচনৰ সামগ্ৰিক প্ৰস্তুতিৰ বুজ ল'ব। দলটোৱে ৰাজ্যৰ ১০০ গৰাকী বুথ পৰ্যায়ৰ বিষয়াৰ সৈতেও মত বিনিময় কৰিব। তদুপৰি ৰাজ্যৰ মুখ্য সচিব আৰু আৰক্ষী সঞ্চালকপ্ৰধানৰ সৈতেও নিৰ্বাচন আয়োগৰ দলটো আলোচনাত মিলিত হ'ব। দিল্লীলৈ উভতি যোৱাৰ পূৰ্বে দলটোৱে এখন সংবাদমেল সম্বোধন কৰিব। দলটোৱে লগতে ৰাজ্যৰ আৰক্ষী মহাপৰিদৰ্শক, ক্ষেত্ৰীয় আৰক্ষী উপ মহাপৰিদৰ্শক, জিলা নিৰ্বাচন বিষয়া তথা দণ্ডাধীশ আৰু জ্যেষ্ঠ আৰক্ষী অধীক্ষকসকলৰ সৈতেও ভোটগ্ৰহণৰ প্ৰস্তুতি সন্দৰ্ভত এখন পৰ্যালোচনা সভাত অংশগ্ৰহণ কৰিব।

০০০০০০০

চাৰিদিনীয়া কাৰ্যসূচীৰে কালিৰেপৰা দিছপুৰত অনুষ্ঠিত পঞ্চদশ অসম বিধানসভাৰ বাজেট অধিৱেশনত আজি কিছু সময়ৰ পাছতে ২০২৬-২৭ বৰ্ষৰ অন্তৰৱৰ্তী লেখানুদান উত্থাপন কৰা হ'ব। সমাগত বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত পূৰ্ণাংগ বাজেটৰ সলনি বিত্তমন্ত্ৰী অজন্তা নেওগে লেখানুদান দাখিল কৰিব। বাজেট অধিবেশনত পৰৱৰ্তী তিনি বা ছমাহ ৰাজ্যখন চলিবৰ বাবে প্ৰয়োজনীয় পুঁজিত মঞ্জুৰি দিয়া হ'ব। আজি প্ৰশ্নোত্তৰ শিতানেৰে অধিৱেশনৰ কাম-কাজ আৰম্ভ হয়। সদনত আজি কাৰ্য উপদেষ্টা সমিতিৰ প্ৰতিবেদন দাখিল কৰা হ'ব। ইয়াৰ লগতে ৰাজ্যপালৰ ভাষণৰ ওপৰত ধন্যবাদসূচক প্ৰস্তাৱ সন্দৰ্ভতো আলোচনা অনুষ্ঠিত হ'ব। এই আলোচনাত শাসক-বিৰোধী উভয় পক্ষৰ বিধায়কে অংশ ল'ব।

উল্লেখযোগ্য যে ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যৰ ভাষণেৰে কালি অসম বিধান সভাৰ অধিবেশন আৰম্ভ হয়। ৰাজ্যপালগৰাকীয়ে নিজৰ ভাষণত অসমৰ অৰ্থনৈতিক যাত্ৰাপথৰ বিষয়ে আলোকপাত কৰে। ৰাজ্যৰ মুঠ ঘৰুৱা উৎপাদন ২০২৫-২৬ বিত্তীয় বৰ্ষত ৭ লাখ কোটি টকা অতিক্ৰম কৰিব বুলি তেওঁ আশা প্ৰকাশ কৰে।

০০০০০

মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানৰ দ্বিতীয় পৰ্যায়ৰ অধীনত আজি ডিফুত কাৰ্বি আংলং, ডিমা হাচাও আৰু পশ্চিম কাৰ্বি আংলঙৰ মুঠ এহেজাৰ ৯৪৬ গৰাকী উদ্যোগীৰ মাজত প্ৰথম কিস্তিৰ ধনৰাশি বিতৰণ কৰা হ'ব। এই উপলক্ষে ডিফুৰ কে এ এছ এ ক্ৰিকেট ষ্টেডিয়ামত আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। অনুষ্ঠানত কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য ডঃ তুলিৰাম ৰংহাং আৰু মন্ত্ৰী নন্দিতা গাৰ্লোচাই অংশ ল'ব। আঁচনিখনৰ দ্বিতীয় পৰ্যায়ত কাৰ্বি আংলং জিলাৰ এহেজাৰ দুগৰাকী, ডিমা হাচাওৰ ৪৮৭ গৰাকী আৰু পশ্চিম কাৰ্বি আংলং জিলাৰ ৪৫৭ গৰাকী উদ্যোগীৰ মাজত আৰ্থিক সাহায্য বিতৰণ কৰা হ'ব।

০০০০০০০

ৰাজ্য চৰকাৰে ভাষা সংস্কৃতি সংৰক্ষণৰ বাবে গ্ৰহণ কৰা শক্তিশালী পদক্ষেপৰ অংশ হিচাপে ডিমাচা ভাষাক নৱম আৰু দশম শ্ৰেণীত ঐচ্ছিক বিষয় হিচাপে প্ৰৱৰ্তন কৰা হ'ব। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই এই বিষয়ে প্ৰকাশ কৰি কয়, যে ডিমাচা ভাষাৰ স্বকীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰি মাধ্যমিক পৰ্যায়ত ইয়াক শিক্ষাৰ মাধ্যম হিচাপে প্ৰৱৰ্তনৰ ব্যৱস্থা কৰা হৈছে।

২০২৬-২৭ শিক্ষা বৰ্ষৰ পৰা নৱম শ্ৰেণী আৰু ২০২৭-২৮ বৰ্ষৰ পৰা দশম শ্ৰেণীত ভাষাটোক ঐচ্ছিক ভাষা হিচাপে প্ৰৱৰ্তন কৰা হ'ব। আধুনিক ভাৰতীয় ভাষাৰ বিকল্প হিচাপে ভাষাটোৰ শিক্ষাদান কৰা হ'ব।

০০০০০০০

———দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ হাটশিঙিমাৰীৰ শান্তিপুৰত যোৱানিশা আৰক্ষীয়ে অভিযান চলাই নিষিদ্ধ কফচিৰাপসহ এজন লোকক গ্ৰেপ্তাৰ কৰে। আৰক্ষীয়ে অঞ্চলটোত তালাচী চলাই থকাৰ সময়তে বেপাৰীপাৰা ফেৰীঘাটৰ পৰা মানকাচৰ অভিমুখী এখন মটৰ চাইকেলৰপৰা ১৫০ বটল কফচিৰাপ জব্দ কৰে। আৰক্ষীয়ে লোকজনক গ্ৰেপ্তাৰ কৰি সোধা-পোছা কৰি আছে।

০০০০০০০

বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত ৰাজনৈতিক দল সমূহে ব্যাপক প্ৰস্তুতি অব্যাহত ৰাখিছে। বিজেপিয়ে চলিত মাহতে মিত্ৰতা আৰু প্ৰাৰ্থী সন্দৰ্ভত চূড়ান্ত সিদ্ধান্ত ল'ব বুলি প্ৰকাশ কৰিছে। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে অহা ২০ ফেব্ৰুৱাৰীত পুনৰ অসম ভ্ৰমণ কৰিব। এই ভ্ৰমণকালত নিৰ্বাচনকেন্দ্ৰিক মিত্ৰতা সন্দৰ্ভত চূড়ান্ত আলোচনা হোৱাৰ সম্ভাৱনা আছে। উল্লেখযোগ্য যে কাইলৈ কংগ্ৰেছ দলৰ নেত্ৰী প্ৰিয়ংকা গান্ধী অসমলৈ আহিব। বিজেপিৰ নৱনিৰ্বাচিত ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীনেও কাইলৈ অসম ভ্ৰমণ কৰিব। ইপিনে বিভিন্ন ৰাজনৈতিক দলৰ কেইবাগৰাকীও নেতা তথা সদস্যই দলীয় দায়িত্বৰ পৰা অব্যাহতি লোৱাৰ লগতে আন দলতো যোগদান কৰা পৰিলক্ষিত হৈছে। অসম ৰাজ্যিক কংগ্ৰেছৰ প্ৰাক্তন সভাপতি তথা জ্যেষ্ঠ নেতা ভূপেন বৰাই কালি দলটোৰ পৰা পদত্যাগ কৰে। নিৰ্বাচনী প্ৰচাৰ সমিতিৰ অধ্যক্ষৰ পদত থকা শ্ৰীবৰাই ইতিমধ্যে নিখিল ভাৰত কংগ্ৰেছ কমিটীৰ শীৰ্ষ বিষয়ালৈ পদত্যাগ পত্ৰ প্ৰেৰণ কৰিছে। ইয়াৰ মাজতে কংগ্ৰেছ নেতৃত্বাধীন বিৰোধী ৰাজনৈতিক দলৰ নিৰ্বাচনী মিত্ৰতা সন্দৰ্ভত আলোচনা অব্যাহত আছে। কালি নিৰ্বাচনী মিত্ৰতা সন্দৰ্ভত আলোচনা কৰাৰ বাবে কংগ্ৰেছে এখন বৈঠকৰ আয়োজন কৰে।

অসম গণ পৰিষদৰ মাজুলী জিলা সমিতিৰ উদ্যোগত জিলাখনৰ গড়মূৰৰ বংশী গোপাল নাট্য মন্দিৰত কালি দলটোৰ বুথ সন্মিলন অনুষ্ঠিত হয়। অগপৰ জ্যেষ্ঠ নেতা তথা সাংসদ ফণীভূষণ চৌধুৰী আৰু বীৰেন্দ্ৰপ্ৰসাদ বৈশ্যই এই সন্মিলনত অংশগ্ৰহণ কৰে। সন্মিলনত অগপৰ মাজুলী বিধান সভা সমষ্টি সমিতিৰ সভাপতি ব্ৰজেন গামৰ লগতে দলটোৰ কেইবাগৰাকীও কেন্দ্ৰীয় বিষয় ববীয়াই অংশগ্ৰহণ কৰে।

কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কালি ডিব্ৰুগড়ৰ মানকটা খেলপথাৰত কাইলৈ হ'বলগীয়া বিজেপিৰ পৃষ্ঠাপ্ৰমুখ সন্মিলনৰ প্ৰস্তুতিৰ বুজ লয়। দলটোৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীনে অংশগ্ৰহণ কৰিবলগীয়া এই সন্মিলনৰ প্ৰস্তুতিৰ বুজ লয় শ্ৰীসোণোৱালে দলীয় কৰ্মকৰ্তাসকলক উৎসাহিত কৰে। সভাস্থলী পৰিদৰ্শন কৰাৰ সময়ত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীৰ লগত বিজেপিৰ অসম ৰাজ্যিকৰ প্ৰভাৰী হৰিশ দ্বিবেদী, ৰাজ্যিক কমিটীৰ সম্পাদক ঋতুপৰ্ণ বৰুৱাকে ধৰি কেইবাজনো ৰাজ্যিক নেতা উপস্থিত থাকে।

০০০০০০০

**সমাপ্ত**